**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমৰ নেতৃত্বত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলে নতুন ভৱিষ্যত সূচনা কৰাৰ দিশে অগ্ৰসৰ হৈছে। একেদৰে গোলকীয় অনিশ্চয়তাৰ মাজতো বিশ্বৰ বহু বিশেষজ্ঞই সম্প্ৰতি ভাৰতৰ খৰতকীয়া বিকাশৰ কথা আলোচনা কৰিবলৈ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন উদ্বোধন কৰি এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয়, যে বৰ্তমানৰ ভাৰতে এখোজ এখোজকৈ আগবাঢ়ি যোৱাৰ সমান্তৰালকৈ একবিংশ শতিকাৰ অনাগত ২৫ বছৰৰ দীৰ্ঘম্যাদী লক্ষ্য মনত ৰাখি বৃহৎ পৰিসৰত কামত অগ্ৰসৰ হৈছে। বিশ্বই বৰ্তমান ভাৰতৰ প্ৰশাসনত আস্থা ৰাখিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে দক্ষতাৰ দিশত খৰতকীয়াকৈ আগবাঢ়ি যোৱা দেশৰ যুৱ সমাজ আৰু মধ্যবিত্ত শ্ৰেণীৰ কথা উল্লেখ কৰে।

০০০০০০০

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ উদ্বোধনী সত্ৰত আজি কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীয়ে অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ অনুষ্ঠানত ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানী, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালা, টাটা ছ'ন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰ, জে এছ ডব্লিউ গোটৰ অধ্যক্ষ সজ্জন জিন্দালকে ধৰি ভালেমান উদ্যোগপতিয়ে ভাষণ দিয়ে। আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়ে তেওঁৰ ভাষণত অসমত এৰ'চিটী, চিমেণ্টকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত ভাষণ দি ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানীয়ে অসমত মেগা ফুড পাৰ্ক, সপ্ত তাৰকাযুক্ত হোটেল, দুটা জৈৱ ইন্ধন গোটকে ধৰি ৫ টা গুৰুত্বপূৰ্ণ খণ্ডত অহা ৫ বছৰত ৫০ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগৰ কথা প্ৰকাশ কৰে।

টাটা ছ'ন্সৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে তেওঁৰ ভাষণত কয়, যে অসমৰ সৈতে টাটা গ্ৰুপৰ কেইবা দশকজোৰা সম্বন্ধ আছে। বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালাই অহা দুবছৰত অসমত এক লাখ বেৰেল তেল উৎপাদন কৰিব বুলি ঘোষণা কৰে।

জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালে তেওঁৰ ভাষণত কয়, যে উত্তৰ-পূব সমৃদ্ধিশালী হ'লেহে দেশ সমৃদ্ধিশালী হ'ব।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ভূটানৰ কৃষি মন্ত্ৰী, চুবুৰীয়া ৰাজ্যৰ কেইবাগৰাকী মুখ্য মন্ত্ৰীকে ধৰি ৬১ খন দেশৰ ৰাষ্ট্ৰদূত, ব্যৱসায়িক প্ৰতিনিধি গোট আৰু উদ্যোগ বিশেষজ্ঞই অংশগ্ৰহণ কৰে।

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যখনৰ বিনিয়োগ ক্ষেত্ৰত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰত অনুমোদন জনোৱা হৈছে। অন্যান্য জিলাতো আয়ুক্তসকলে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

শোণিতপুৰ জিলাত আজি ৩৮ টা উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ ফলত এহেজাৰ যুৱক-যুৱতীৰ বাবে ব্যৱসায়ৰ নতুন সুবিধা আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

কাৰ্বি আংলং জিলাত আজি এডভাণ্টেজ আছামৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হয়। ইয়াৰপাছত তালিকাভুক্ত বিনিয়োগৰাকীৰ সৈতে অসম চৰকাৰৰ হৈ জিলা আয়ুক্ত নিৰলা ফাংছপিয়ে ৯৫ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কৃষি পশুপালন আৰু বিভিন্ন ঔদ্যোগীক খণ্ডত বিনিয়োগৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰ কৰা হয়।

চৰাইদেউ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ সাধাৰণ প্ৰবন্ধকে আজি এডভাণ্টেজ আছামৰ অংশ হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৪৯ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই অনুষ্ঠানত কৃষি, পশুপালন, ৰেচম, শ্ৰম, অসম ৰাজ্যিক জীৱিকা অভিযান আদি বিভাগৰ অধীনস্থ ঔদ্যোগীক খণ্ডৰ সৈতে জড়িত বিনিয়োগকাৰীসকল উপস্থিত থাকে।

তিনিচুকীয়া জিলাত আজিৰেপৰা দুদিনীয়াকৈ এই সন্মিলনৰ অংশ হিচাপে আয়োজিত কাৰ্যসূচীত ৫০ কোটি টকাতকৈ কম ধন বিনিয়োগ কৰিব বিচৰা ব্যৱসায়ীসকলৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আজি কমেও ৪৯ গৰাকী বিনিয়োগকাৰীৰ সৈতে চুক্তি স্বাক্ষৰ হয়।

শিৱসাগৰ জিলাতো আজি এই সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি কৃষি, পৰ্যটন, হস্ততাত, মীন, উদ্যোগ-বাণিজ্যকে ধৰি কেইবাটাও বিভাগৰ উদ্যোগত জিলা পৰ্যায়ত বিনিয়োগ কৰিবলৈ আগ্ৰহী বিনিয়োগকাৰীসকলৰ সৈতে জিলা প্ৰশাসনে চুক্তিত স্বাক্ষৰ কৰে। অনুষ্ঠানত জিলা আয়ুক্ত আয়ুষ গাৰ্গে ৫১ গৰাকী বিনিয়োগকাৰীক আদৰণি জনায়।

০০০০০০০

কাইলৈ মহা শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। শিৱ মন্দিৰসমূহ পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। আজি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। কাইলৈ সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ভাওনা প্ৰদৰ্শন কৰা হ'ব। পৰহিলৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ দ্বাৰা প্ৰকাশিত স্মাৰক গ্ৰন্থ মুক্তিনাথ উন্মোচন কৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। ২৮ ফেব্ৰুৱাৰীৰ সামৰণি অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থকাৰ কথা।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত আজিৰে পৰা ৪ দিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰিবলৈ লোৱা হৈছে। আজি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে। জিলাখনৰ টাকাদিয়াবৰিত আজি নৱনিৰ্মিত হাব্ৰাঘাট শিৱমন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। কাইলৈৰ পৰা এই মন্দিৰত শিৱৰাত্ৰি আৰু মেলা অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**